# পাৰস্পৰিক বুজাবুজি চুক্তি

# Memorandum of Understanding

(MOU)

# মৰিগাঁও মহাবিদ্যালয়

# আৰু

# মৰিগাঁও পৌৰসভাৰ মাজত

মৰিগাঁও মহাবিদ্যালয় চৌহদ আৰু মহাবিদ্যালয়ৰ কাষৰীয়া

এলেকাৰ পৰিষ্কাৰ পৰিচ্ছন্নতাৰ সন্দৰ্ভত

# পাৰস্পৰিক বুজাবুজি চুক্তি (MOU)

স্থান: কাৰ্যালয়, আভ্যন্তৰীণ মান নিৰূপক কোষ (IQAC)

তাৰিখ: ৩০/০৪/২০২২

চুক্তি কাৰ্যকৰণৰ প্ৰাৰম্ভণি: ৩০/০৪/২০২২, শনিবাৰ

চুক্তিৰ ম্যাদ: ৫ বছৰ

১ম পক্ষ : মৰিগাঁও মহাবিদ্যালয়, অসম, মহাবিদ্যালয়ৰ প্ৰতিনিধি- অধ্যক্ষ, মৰিগাঁও মহাবিদ্যালয়।

২য় পক্ষ : মৰিগাঁও পৌৰসভা, অসম পৌৰসভাৰ প্ৰতিনিধি –পৌৰপতি, মৰিগাঁও পৌৰসভা ।

১ম পক্ষৰ বিবৰণ: মৰিগাঁও মহাবিদ্যালয় মৰিগাঁও চহৰত অৱস্থিত মৰিগাঁও জিলাৰ এখন অগ্ৰণী উচ্চ শিক্ষাৰ চৰকাৰী মঞ্জুৰীপ্ৰাপ্ত মহাবিদ্যালয় ।

২য় পক্ষৰ বিবৰণ: মৰিগাঁও পৌৰসভা মৰিগাঁও চহৰৰ সৰ্বাংগীন বিকাশ আৰু পৰিচালনা কৰাৰ এক স্বতন্ত্ৰ অনুষ্ঠান ।

* উভয় পক্ষই স্ব-ইচ্ছা আৰু আন্তৰিকতাৰে পাৰস্পৰিক উন্নয়নৰ অৰ্থে এই চুক্তিত স্বাক্ষৰ কৰাৰ ইচ্ছা প্ৰকাশ কৰিছোঁ ।

30/04/22
১ম পক্ষ
PRINCIPAL
MORIGAON COLLEGE
DATE:..................

30/4/2022
২য় পক্ষ
Chairperson
Morigaon Municipal Board
Morigaon

**চুক্তিৰ উদ্দেশ্য:**

১) মৰিগাঁও মহাবিদ্যালয় চৌহদ আৰু মহাবিদ্যালয়ৰ কাষৰীয়া এলেকা পৰিষ্কাৰ পৰিচ্ছন্ন কৰি ৰখা ।

২) মহাবিদ্যালয়ৰ চৌহদত উপজাত ৰূপে উৎপাদিত হোৱা আবৰ্জনাসমূহ বৈজ্ঞানিক পদ্ধতিত নিষ্কাশন তথা স্থানান্তৰ কৰা ।

৩) মৰিগাঁও চহৰ খনৰ উন্নয়ন, পৰিষ্কৰণ আৰু সৌন্দৰ্যবৰ্দ্ধনৰ দিশত পাৰস্পৰিক সহযোগিতা আৰু পৰামৰ্শৰ আদান প্ৰদান কৰা।

৪) স্বাস্থ্যসন্মত পৰিষ্কাৰ বাতাবৰণ সৰ্ম্পকে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু পৌৰ এলেকাৰ বাসিন্দাসকলৰ মাজত সজাগতা জাগ্ৰত কৰা ।

উল্লিখিত উদ্দেশ্যসমূহ পূৰণ কৰাৰ অৰ্থে আমি দুয়োপক্ষই নিয়মানুসৰি আন্তৰিকতাৰে একমত প্ৰকাশ কৰিলোঁ আৰু অংগীকাৰবদ্ধ হ'লোঁ ।

১ম পক্ষ: মৰিগাঁও মহাবিদ্যালয়

(ডঃ লীলা কান্ত বৰঠাকুৰ)

অধ্যক্ষ

PRINCIPAL
MORIGAON COLLEGE
DATE:..................

২য় পক্ষ: মৰিগাঁও পৌৰসভা

(শ্ৰী যোগেশ তামুলী)

পৌৰপতি

Chairperson
Morigaon Municipal Board
Morigaon

ঠিকনা:

| | |
|---|---|
| মৰিগাঁও মহাবিদ্যালয় | মৰিগাঁও পৌৰসভা |
| মৰিগাঁও, অসম, পিন-৭৮২১০৫ | মৰিগাঁও, অসম, পিন- ৭৮২১০৫ |
| যোগাযোগ নম্বৰ- ০৩৬৭৮- ২৪০২৬৭৮ | ৯৮৫৪৭১৫৭৮৭ |
| ই- মেইল: morigaoncollege@hotmail.com | |
| ৱেবছাইট: www.morigaoncollege.edu.in | |

সাক্ষী:

১)

২)

সাক্ষী:

১)

২) Bidyut Deka